**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰব পালন কৰা হৈছে। শিখ ধৰ্মৰ ভেঁটি স্থাপন কৰা প্ৰথম শিখ গুৰু, গুৰু নানকৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাইজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰপতিয়ে কয়, যে গুৰু নানকে সকলোকে কঠোৰ পৰিশ্ৰমৰ মাজেৰে আধ্যাত্মিকতাৰ পথ দেখুৱাইছে আৰু সত্য, সন্তুষ্টি, দয়া আৰু প্ৰেমৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াৰ কথা শিকাইছে। তেওঁ আৰু কয় যে গুৰু নানকৰ আদৰ্শ গ্ৰহণ কৰি এখন সুষম আৰু সমতাৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াতো সকলোৰে সামূহিক দায়িত্ব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গুৰু নানকৰ কালজয়ী প্ৰজ্ঞাৰ প্ৰতি নিজৰ দায়িত্ববদ্ধতা দৃঢ় কৰিবলৈ আহ্বান জনায়। তেওঁ মানুহক সত্য, সমন্বয় আৰু সকলো সত্বাৰ ঐক্যৰ নীতিৰ প্ৰতি উৎসৰ্গা কৰিবলৈ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা কৰে যে, গুৰু নানকৰ শিক্ষাই মানুহক মমতা, দয়া আৰু নম্ৰতাৰ মনোভাবেৰে আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। তেওঁ কামনা কৰে যে ইয়াৰ দ্বাৰা মানুহ সমাজ সেৱাৰ প্ৰতি উদ্বুদ্ধ হৈ এখন নতুন পৃথিৱী গঢ়ি তুলিব।

দেশৰ আন আন প্ৰান্তৰ লগতে ধুবুৰীৰ গুৰুদ্বাৰতো আজি পুৱাৰ পৰা উখল-মাখল পৰিৱেশ পৰিলক্ষিত হয়। এই উপলক্ষে অখণ্ড পাঠ, কীৰ্তন দৰবাৰ, গুৰুলংগৰ আদি কাৰ্যসূচী পালন কৰা হয়। নগাঁও জিলাৰ বৰকলা গাঁৱৰ অসমীয়া শিখ সম্প্ৰদায়ৰ ব্যক্তিসকলেও আজি কেন্দ্ৰীয় গুৰুদ্বাৰত অসমীয়া পৰম্পৰাৰে প্ৰথমগৰাকী শিখ গুৰুৰ জন্মবাৰ্ষিকী উলহ-মালহেৰে আয়োজন কৰে। জিলাখনত গুৰু নানক জয়ন্তী উদযাপন সন্দৰ্ভত এয়া নগাঁৱৰ পৰা আমাৰ সংবাদাতা মুনিন্দ্ৰ শইকীয়া—

***(ভইচ)***

এই উপলক্ষে অখণ্ডপাঠ, ধৰ্মালোচনী সভা আৰু গীত-মাতৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। হাফলঙতো উলহ-মালহেৰে গুৰু নানকৰ জন্মবাৰ্ষিকী পালন কৰা হয়।

০০০০০০০

২০২৫ বৰ্ষত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ এখন ভুৱা সময়সূচী একাংশ সামাজিক মাধ্যমযোগে প্ৰচাৰ হৈ থকাটো দৃষ্টিগোচৰ হোৱাৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে এইক্ষেত্ৰত স্থিতি স্পষ্ট কৰিছে। ব'ৰ্ডৰ বিষয়ববীয়াই কয়, যে অহা বছৰত হ'বলগীয়া হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচী এতিয়াও প্ৰকাশ কৰা হোৱা নাই। ব'ৰ্ডে এই সময়সূচী চূড়ান্ত কৰাৰ লগে লগে সকলো মাধ্যমতে ইয়াৰ প্ৰচাৰ কৰা হ'ব বুলি ব'ৰ্ডৰ সূত্ৰই প্ৰকাশ কৰে। আনহাতে সামাজিক মাধ্যমত সম্প্ৰতি প্ৰচাৰ হৈ থকা এই সময়সূচী ভুৱা বুলিও তেওঁলোকে স্পষ্ট কৰি দিয়ে।

০০০০০০০

নতুন দিল্লীৰ কে ডি যাদৱ ৰেছলিং ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া চাৰে ৬ বজাত এই মহোৎসৱৰ প্ৰথম সংস্কৰণ উদ্বোধন কৰিব। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত প্ৰধানমন্ত্ৰীৰ লগতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্য, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। কাইলৈ বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে ৰাজঘাটৰ পৰা ইণ্ডিয়া গে'টলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সেইদিনা বিয়লি হ'বলগীয়া শিক্ষা সম্পৰ্কীয় আলোচনাচক্ৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ অধ্যক্ষতাত সংস্কৃতি আৰু পৰ্যটন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উত্তৰ-পূৱ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, প্ৰমুখ্যে বহুলোকে অংশগ্ৰহণ কৰিব।

ooooooo

আজি ৰাস পূৰ্ণিমা। শৰৎকালৰ এই মনোৰম পূৰ্ণিমাত পালন কৰা ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা জিলাত আজিৰে পৰা কেইবাখনো উল্লেখযোগ্য ৰাসৰ আয়োজন কৰা হৈছে। ইয়াৰ ভিতৰত হাউলী, বৰপেটা ৰোড আৰু নগাঁৱৰ ৰাস মহোৎসৱ অন্যতম। উল্লেখযোগ্য যে হাউলী ৰাস মহোৎসৱে এইবাৰ ৯৭ সংখ্যক বৰ্ষত ভৰি দিছে। একেদৰে বৰপেটা ৰোড ৰাস মহোৎসৱ ৯৪ সংখ্যক বছৰৰ বাবে আয়োজন কৰা হৈছে। যিহেতু পশ্চিম অসমত মূৰ্তিক কেন্দ্ৰ কৰি ৰাস পালন কৰা হয়, সেইবাবে ৰাসথলীসমূহত আকৰ্ষণীয়ভাৱে মৃণ্ময় মূৰ্তিসমূহ সজাই তোলা হৈছে। ৰাসৰ কাৰ্যসূচী সুচাৰুৰূপে উদযাপনৰ বাবে জিলা প্ৰশাসন আৰক্ষীয়ে বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে মঙলদৈতো সনাতন ধৰ্মসভাৰ প্ৰাংগণত দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। ধুবুৰী, বিলাসীপাৰা, শিৱসাগৰ, চাৰিং, তেজপুৰ, মৰিগাঁও, গোৱালপাৰা, বাক্সা, নলবাৰী ইত্যাদি ঠাইসমূহৰ পৰাও ৰাস উৎসৱ আয়োজনৰ খবৰ আমালৈ আহিছে। নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ উদ্যোগত আজিৰে পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা মূৰ্তি আৰু মানৱীয় অভিনয়ৰ মাধ্যমেৰে শ্ৰীকৃষ্ণ ৰাসলীলা উপস্থাপন কৰা হৈছে। নুনমাটি, নিউ গুৱাহাটী, ওদালবাক্ৰা, ফটাশিল আমবাৰী, গড়চুক ইত্যাদি মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱৰ কেইবাদিনীয়া কাৰ্যসূচীৰ আজি আৰম্ভ হৈছে।

অন্যহাতে মাজুলীৰ বিভিন্ন সত্ৰসমূহত কালিৰে পৰাই ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে যদিও আজিৰে পৰা দক্ষিণপাট, আউনিআটী, গড়মূৰ, উত্তৰ কমলা, বেঙেনাআটী, চামগুৰি, এলেংগি নৰসিংহ আদি সত্ৰসমূহকে ধৰি স্থায়ী আৰু অস্থায়ী সকলো ৰংগমঞ্চতে ৰাসলীলা অভিনয়ৰ আৰম্ভ হ'ব।

নগাঁও জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাজ্যৰ অন্যান্য ঠাইত ৰাসলীলা অভিনয়ত অতুল চন্দ্ৰ হাজৰিকাৰ সৃষ্টিক মূল আধাৰ হিচাপে লোৱা হৈ যদিও নগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত ৪ৰ পৰা ৫দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হ'ব।

০০০০০০০

**সমাপ্ত**